# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date : 01**-09-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিৰ্গিস্তানৰ ৰাজধানী বিছকেকত  ২৬ সংখ্যক চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাষণ দিব।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি ১৬ টা প্ৰতিৰক্ষা খণ্ডৰ ৰাজহুৱা উদ্যোগৰ বাৰ্ষিক পাৰদৰ্শিতা পৰ্যালোচনা কৰিব।

৩। দ্বিপাক্ষিক সহযোগিতা শক্তিশালী আৰু পৰিৱেশ তথা জলবায়ু পৰিৱৰ্তন বিষয়ক  আলোচনা কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত চতুৰ্থ ভাৰত-জাৰ্মান পৰিৱেশ মঞ্চ অনুষ্ঠিত হ'ব।

৪। কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি দুসপ্তাহজোৰা স্বচ্ছতা পযেক ২০২৬ উদ্বোধন কৰিব।

*আৰু*

৫। জাপানত হ'বলগীয়া এছিয়ান গেমছত অলিম্পিয়ান চি এন ভৱানী দেৱীয়ে ভাৰতৰ ২০ জনীয়া ফেন্সিং দলটোক নেতৃত্ব দিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিৰ্গিস্তানৰ ৰাজধানী বিছকেকত  ২৬ সংখ্যক চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাষণ দিব। চাংহাই সহযোগিতা সংস্থাৰ ২৫ বৰ্ষপূৰ্তি উপলক্ষে এই সন্মিলনৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে চীন আৰু ৰাছিয়াকে ধৰি চাংহাই সহযোগিতা সংস্থাৰ ১০খন সদস্য ৰাষ্ট্ৰ আছে। ভাৰত ২০১৭ চনৰে পৰা ইয়াৰ সদস্য হিচাপে অন্তৰ্ভুক্ত হৈ আছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাংহাই সহযোগিতা সংস্থাৰ নেতৃবৃন্দৰ সৈতে কালি সন্ধিয়া কিৰ্গিজস্তানৰ ৰাজধানী বিছকেকত ষষ্ঠ বিশ্ব যাযাবৰী ক্ৰীড়া উদ্বোধন কৰে। দুবছৰীয়া এই ক্ৰীড়া অনুষ্ঠানত যাযাবৰী সভ্যতাৰ চহকী ক্ৰীড়া পৰম্পৰা, সংস্কৃতি আৰু ঐতিহ্যক উদযাপন কৰা হয়। ইয়াৰ লগতে বিভিন্ন দেশক একত্ৰিত কৰি যাযাবৰী সভ্যতা, সংস্কৃতি, পৰম্পৰা আদিও উদযাপন কৰা হয়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চাংহাই সহযোগিতা সংস্থা সন্মিলনৰ অন্তৰ্গত ৰাছিয়া, ইৰান, কিৰ্গিজ ৰিপাব্লিক আৰু আৰমেনিয়াৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হৈছিল। প্ৰধানমন্ত্ৰী মোদীয়ে ২৬ সংখ্যক চাংহাই সহযোগিতা সংস্থা সন্মিলনত ভাষণ দিব।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি ১৬ টা প্ৰতিৰক্ষা খণ্ডৰ ৰাজহুৱা উদ্যোগৰ বাৰ্ষিক পাৰদৰ্শিতা পৰ্যালোচনা কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, এই পৰ্যালোচনাই নতুন থলুৱা প্ৰযুক্তি বিকশাই তোলা আৰু ৰপ্তানি বৃদ্ধিৰ গুৰুত্বৰ সন্দৰ্ভত আলোকপাত কৰিব। এই পৰ্যালোচনা বৈঠকত ৭ টা ৰাজহুৱা উদ্যোগ হিন্দুস্তান এৰোনটিক্স লিমিটেড, মাজগাওঁ দকচিপ বিল্ডাৰ্ছ লিমিটেড, ভাৰত ইলেকট্ৰনিক্স লিমিটেড, ভাৰত ডাইনেমিক্স লিমিটেড, গাৰ্ডেন ৰিচ চিপ বিল্ডাৰ্ছ এণ্ড ইঞ্জিনিয়াৰ্ছ লিমিটেড বি ই এম এল আৰু মিধানীৰ মুখ্য পৰিচালন সঞ্চালকসকল উপস্থিত থাকিব।

০০০০০

দ্বিপাক্ষিক সহযোগিতা শক্তিশালী আৰু পৰিৱেশ তথা জলবায়ু পৰিৱৰ্তন বিষয়ক বহু অংশীদাৰিত্বৰ বিনিময় সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত চতুৰ্থ ভাৰত-জাৰ্মান পৰিৱেশ মঞ্চ অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ লগতে জাৰ্মানীৰ পৰিৱেশ, জলবায়ু সুৰক্ষা আৰু প্ৰকৃতি সংৰক্ষণ মন্ত্ৰীগৰাকীয়ে এই মঞ্চৰ সহ-অধ্যক্ষতা কৰিব। দুয়োপক্ষই এই মঞ্চত পৰিৱেশ সুৰক্ষা আৰু জলবায়ু নীতি সম্পৰ্কীয় মূল বিষয়সমূহ আলোচনা কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰা, অভিজ্ঞতাৰ বিনিময় আদি সন্দৰ্ভতো আলোকপাত কৰিব। এই মঞ্চই নীতি নিৰ্ধাৰক, ব্যক্তিগত খণ্ডৰ প্ৰতিনিধি আৰু পৰিৱেশ তথা জলবায়ু সহযোগিতাৰ ক্ষেত্ৰত থকা বিভিন্ন অংশীদাৰীক সুযোগ প্ৰদান কৰিব।

০০০০০

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ নৱম অধিৱেশন আজিৰে পৰা অনুষ্ঠিত হ'ব। এই অধিৱেশনত ফ্ৰণ্টিয়াৰ নাগালেণ্ড টেৰিটৰিয়েল অথৰিটি বিধেয়ক ২০২৬ৰ লগতে কেইবাখনো চৰকাৰী বিধেয়ক আৰু বিদেশী অৱদান (নিয়ন্ত্ৰণ) আইন সম্পৰ্কীয় আলোচনাৰ লগতে বিধানসভাৰ বিস্তৃত কাৰ্যসূচী অনুষ্ঠিত হ'ব।

অধিৱেশনৰ আজি প্ৰথম দিনা অধ্যক্ষ চাৰিংগাইন লংকুমাৰে বিধানসভাৰ প্ৰাক্তন সদস্য জি কুঘাবীৰৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে প্ৰশ্ন ঘণ্টা অনুষ্ঠিত হ'ব।

নাগালেণ্ড বিধানসভা সচিবালয়ৰ সচিবে নাগালেণ্ড টাউন এণ্ড কাণ্ট্ৰি প্লেনিং (পঞ্চম সংশোধনী) বিধেয়ক ২০২৫, নাগালেণ্ড শ্বপছ এণ্ড এষ্টাব্লিছমেণ্ট (প্ৰথম সংশোধনী) বিধেয়ক ২০২৫ আদিকে ধৰি কেইবাখনো বিধেয়কৰ সন্মতিৰ প্ৰতিবেদন উত্থাপন কৰিব। সদনে বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদনৰ উপৰি ২০২১-২২ আৰু ২০২২-২৩ বৰ্ষৰ বিভিন্ন বিধানসভা সমিতিৰ প্ৰতিবেদন, নিয়ন্ত্ৰণ আৰু মহা নিৰীক্ষক প্ৰতিবেদন গ্ৰহণ কৰিব।

০০০০০

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ উচ্চ পদস্থ বিষয়াসকলৰ সৈতে কালি এখন ব্যাপক পৰ্যালোচনা বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী যোশীয়ে কয়, যে এই বৈঠকত দেশৰ নৱীকৰণযোগ্য শক্তিৰ সেউজ বিকাশ আৰু শক্তিশালী কৰাৰ দিশত আলোকপাত কৰা হয়। বিশেষকৈ এই ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সম্ভাৱনাৰ দিশটোত বিশেষভাৱে আলোকপাত কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই বৈঠকতে চৰকাৰৰ বিভিন্ন আঁচনি বিশেষকৈ প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ, প্ৰধানমন্ত্ৰী কুসুম আৰু প্ৰধানমন্ত্ৰী জনমন আদি আঁচনিসমূহৰ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত আহি পৰা প্ৰত্যাহ্বানৰ বিষয়েও পৰ্যালোচনা কৰা হয়। এই বৈঠকতে মন্ত্ৰী শ্ৰী যোশীয়ে বিষয়াসকলক নৱীকৰণযোগ্য শক্তিৰ পদক্ষেপসমূহ শক্তিশালী কৰাৰ বাবে নিৰ্দেশ দিয়ে। তেওঁ স্বচ্ছ শক্তি নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে বহনক্ষম উন্নয়নৰ

সুফল দেশৰ সকলো প্ৰান্তৰ লোকে লাভ কৰাটো নিশ্চিত কৰাৰ লগতে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় ৰাসায়নিক আৰু সাৰ মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই আজি দুসপ্তাহজোৰা স্বচ্ছতা পযেক ২০২৬ উদ্বোধন কৰিব। এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ মোনা বন্ধ কৰাৰ লগতে কাপোৰৰ মোনা আৰু পুনৰ ব্যৱহাৰ যোগ্য বটল বহুলভাৱে ব্যৱহাৰ কৰিবলৈ জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই পযেকৰ আয়োজন কৰা হৈছে। সাৰ মন্ত্ৰালয়ে জনোৱা মতে দেশজোৰা এই সজাগতা অভিযানৰ জৰিয়তে কৰ্মক্ষেত্ৰত স্বচ্ছতা অভিযান চলোৱাৰ লগতে পৰিৱেশ সংৰক্ষণ আৰু কৰ্মসংস্কৃতিৰ গুণগত দিশ উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। তেওঁ লগতে কয়, যে এই বৰ্ষত স্বচ্ছতা অভিযানৰ লগতে ডিজিটেল স্বচ্ছতাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। এই অভিযানৰ অধীনত ই-অফিচ আৰু ডিজিটেল ফাইলসমূহৰ সুব্যৱস্থা কৰাৰ বাবে ই-অফিচ ব্যৱস্থাত জমা হৈ থকা ই-ফাইলসমূহৰ পৰ্যালোচনা কৰা হ'ব আৰু ডিজিটেলি এই সমস্যাসমূহৰ সমাধান কৰিবলৈ চেষ্টা কৰা হ'ব।

০০০০০

সমবায় সংঘীয় ব্যৱস্থা শক্তিশালী কৰা, ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰ সামূহিক মালিকীস্বত্ব লাভ কৰা আৰু কেন্দ্ৰ-ৰাজ্যৰ ঘনিষ্ঠ সহযোগিতাৰ জৰিয়তে ফলাফল ত্বৰান্বিত কৰাৰ বাবে আজি নতুন দিল্লীত জল শক্তি মন্ত্ৰালয়ে দুদিনীয়া বিভাগীয় সন্মিলন আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কল্পনাৰ বিভাগীয় শীৰ্ষ সন্মিলনৰ শৃংখলাৰ প্ৰথমখন শীৰ্ষ সন্মিলন।

দুদিনীয়া সন্মিলনত জল আন্তঃগাঁথনি প্ৰকল্পৰ সময়মতে ৰূপায়ণ, জল সঞ্চয় জন ভাগীদাৰী-বৰষুণ ধৰা, খোৱাপানী ব্যৱস্থাৰ উৎস বহনক্ষমতা আৰু জল জীৱন মিছন ২.০ৰ অধীনত গ্ৰাম্য খোৱাপানী যোগান আঁচনিৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণকে ধৰি চাৰিটা মূল বিষয়ভিত্তিক স্তম্ভৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰালয়ে কয় যে আলোচনাত প্ৰকল্প ৰূপায়ণ, আন্তঃসংস্থা সমন্বয়, পানী সংৰক্ষণ, বৰষুণৰ পানী সংগ্ৰহ, ভূগৰ্ভস্থ পানী পুনৰ ভৰোৱা, ডিজিটেল নিৰীক্ষণ, সম্পত্তি ব্যৱস্থাপনা আৰু সম্প্ৰদায়ৰ নেতৃত্বত জল শাসন শক্তিশালী কৰা আদি বিষয় সামৰি লোৱা হ'ব।

০০০০০

জাপানত হ'বলগীয়া এছিয়ান গেমছত অলিম্পিয়ান চি এন ভৱানী দেৱীয়ে ভাৰতৰ ২০ জনীয়া ফেন্সিং দলটোক নেতৃত্ব দিব। ভাৰতীয় ফেন্সিং এছোছিয়েছনে দলটো ঘোষণা কৰিছে। অহা ১৯ ছেপ্তেম্বৰৰ পৰা ৪ অক্টোবৰলৈ জাপানৰ আই চি নাগোয়াত ২০ সংখ্যক এছিয়ান গেমছ অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**